# ভাৰতীয় জনতা পাৰ্টী

(কেন্দ্ৰীয় কাৰ্যালয়)
১১, অশোক ৰোড, নতুন দিল্লী–১১০০০১
ফোনঃ ০১১–২৩০৭০৫৭৭০, ফেক্সঃ ০১১–২৩০০৫৭৮৭

## বিজেপিৰ ৰাষ্ট্ৰীয় সহ সভাপতি মুখতাৰ আব্বাছ নাকভিৰ সংবাদ বিবৃত্তি

নতুন দিল্লী, ২৭ ফেব্ৰুৱাৰীঃ অহা ১ মাৰ্চৰ পৰা বিজেপিৰ ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক কমিটী আৰু পৰিষদৰ বৈঠক দিল্লীত অনুষ্ঠিত হ'ব। বিজেপিৰ ৰাষ্ট্ৰীয় সহ সভাপতি মুখতাৰ আব্বাছ নাকভিয়ে কৈছে যে- ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠক হ'ব অহা ১ মাৰ্চত আৰু ২ মাৰ্চৰ পৰা পৰিষদৰ বৈঠক হ'ব।

শ্ৰী নাকভিয়ে কৈছে, বিজেপিৰ সভাপতি ৰাজনাথ সিঙৰ ভাষণেৰে বৈঠক আৰম্ভ হ'ব, তাৰপাছত দেশৰ আৰ্থিক, সামাজিক, ৰাজনৈতিক বিষয় সম্পৰ্কে আলোচনা হ'ব।

শ্ৰী নাকভিয়ে কয়, ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক কমিটীৰ চাৰিখন বৈঠক হ'ব আৰু পৰিষদৰ ৯ খন বৈঠক হ'ব। তিনিদিনীয়া বৈঠকৰ সময়চোৱাত আগন্তুক নিৰ্বাচনৰ সম্পৰ্কে আলোচনা হ'ব। আমাৰ লক্ষ্য হ'ব, 'সুশাসন সংকল্প, বিজেপি বিকল্প'।

শ্ৰী নাকভিয়ে লগতে কৈছে, কাৰ্যনিৰ্বাহক কমিটী আৰু পৰিষদৰ বৈঠকত আৰ্থিক, সামাজিক, ৰাজনৈতিক পৰিস্থিতি আৰু দেশৰ সন্মুখত দেখা দিয়া প্ৰত্যাহ্বানৰ সন্দৰ্ভত আলোচনা হ'ব। দুৰ্নীতি, কেলেঙ্কাৰী, মূল্যবৃদ্ধি, আভ্যন্তৰীণ নিৰাপত্তা, ৰাষ্ট্ৰীয় নিৰাপত্তাৰ বিষয়ে আলোচনা হ'ব, 'অন্ত্যোদয় আৰু সুশাসন' সম্পৰ্কে আলোচনা হ'ব।

আসন্ন সাধাৰণ নিৰ্বাচনৰ প্ৰস্তুতি, কৌশল আৰু তাৰ কাৰণে গ্ৰহণ কৰিব লগা ব্যৱস্থাৰ খচৰা তৈয়াৰ কৰা হ'ব। যেতিয়া নিৰ্বাচনৰ সময় হ'ব, প্ৰস্তুতি আৰু কৌশল অৱলম্বনৰ সময় হ'ব তেতিয়া কৰ্মীসকলক 'সুশাসন সংকল্প, বিজেপি বিকল্প' লক্ষ্য আগত ৰাখি যুদ্ধলৈ যাবলৈ কোৱা হ'ব আৰু তেওঁলোকে জনসাধাৰণৰ আগত ইয়াক ব্যাখ্যা কৰিব।

শ্ৰী নাকভিয়ে কৈছে, ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক কমিটী আৰু পৰিষদৰ সকলো সদস্য, লোকসভা আৰু ৰাজ্যসভাৰ দলৰ সকলো সাংসদ, বিধায়ক, ৰাজ্যৰ পদাধিকাৰীসকল, ৰাষ্ট্ৰীয় স্তৰৰ মৰ্চাসমূহৰ সমন্বয়ৰক্ষাকাৰীসকল, সকলো জিলা সভাপতি, জিলা পঞ্চায়তৰ সভাপতি আৰু সংগঠনৰ সচিবসকলে এই বৈঠকত অংশ গ্ৰহণ কৰিব। ৰাষ্ট্ৰীয় কাৰ্যনিৰ্বাহক কমিটীৰ বৈঠক অনুষ্ঠিত হ'ব এন ডি এম চিৰ কনভেন্সন চেন্টাৰত আৰু ৰাষ্ট্ৰীয় পৰিষদৰ বৈঠক অনুষ্ঠিত হ'ব তালকটোৰা ষ্টেডিয়ামত।

(অ পি কহলি)

মুখ্য কাৰ্যালয়ৰ ভাৰপ্ৰাপ্ত